জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮০৬/২০২০

# ডিব্ৰুগড়ত অত্যাধুনিক গেছ ইনছুলেটেড উপকেন্দ্ৰৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় চহৰৰ এইচ এছ ৰ'ডত উজনি অসমৰ প্ৰথমটো অত্যাধুনিক গেছ ইনছুলেটেড উপকেন্দ্ৰৰ শুভ উদ্বোধন কৰে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে ডিব্ৰুগড়বাসীলৈ উন্নত মানৰ তথা অৱিৰত বিদ্যুৎ যোগান আগবঢ়োৱাৰ লক্ষ্যৰে সংহত বিদ্যুৎ উন্নয়ন আঁচনিৰ অধীনত স্থাপন কৰা উজনি অসম প্ৰথমটো অত্যাধুনিক গেছ ইনছুলেটেড উপ-কেন্দ্ৰটো ৭.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে দুটাকৈ টেন্সফৰ্মাৰ সংযুক্ত প্ৰকল্পৰ প্ৰত্যকটো টেন্সফৰ্মাৰ ক্ষমতা হ'ল ৩০/১১ কিলোভল্ট আৰু প্ৰতিটো ১০ এম ভি এ ক্ষমতা সম্পন্ন। এই প্ৰকল্পই ডিব্ৰুগড় চহৰৰ বজাৰ এলেকাকে ধৰি সমগ্ৰ চহৰখনত বিজুলী যোগানৰ ক্ষেত্ৰত এক ইতিবাচক প্ৰভাৱ পেলাব। এই প্ৰকল্পটো বৈদ্যুতিক বিজুতিৰ সম্ভাৱনা যথেষ্ট কম আৰু ই সুৰক্ষিত।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ডিব্ৰুগড়ৰ এক শক্তিশালী ইতিহাস আছে। ডিব্ৰুগড় চহৰত ১৯৩৬ চনতে বিদ্যুৎ যোগান ব্যৱস্থাৰ সূচনা হৈছিল। ১৮০ বছৰ অতিক্ৰম কৰা ডিব্ৰুগড় চহৰ কেৱল ভাৰতৰ বুকুতে নহয়, বিশ্বৰ বুকুত পৰিচিত। ইংৰাজৰ শাসন কালত প্ৰধান বাণিজ্য কেন্দ্ৰ হিচাপে ডিব্ৰুগড় চহৰৰ এক সুকীয়া পৰিচয় আছিল। তেল, কয়লা, চাহ ইত্যাদি সামগ্ৰী ব্ৰিটিছ ইণ্ডিয়াই ডিব্ৰুগড়ৰ পৰা ৰপ্তানি কৰিছিল। ইয়াৰ নাগৰিকসকলে সদায়ে স্বাভিমান লৈ জীয়াই থাকে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰথম পৰ্যায়ত ২০ খন স্মাৰ্ট চিটি গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। তাৰ আৰ্হিত ডিব্ৰুগড়বাসীয়েও স্মাৰ্ট চিটিৰ ধ্যান ধাৰণাৰে আগুৱাই যোৱাৰ বাবে মনস্থ কৰিব লাগিব। বিদ্যুৎ যোগান নিয়মীয়া কৰা, বিশুদ্ধ খোৱা পানী যোগান, চহৰৰ আন্তঃগাঁথনি শক্তিশালী হ'লেই নহ'ব সকলো ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ আৰু সমন্বয়ৰ পৰিৱেশো সুদৃঢ় কৰি তুলিব লাগিব। চহৰখনক পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব ইয়াৰ বাসিন্দাসকলে ল'ব লাগিব যাতে দেশী-বিদেশী পৰ্যটকসকলে চহৰখনৰ গুণানুকীৰ্ত্তন কৰে।

উজনি অসমত প্ৰথমটো গেছ ইনছুলেটেড উপকেন্দ্ৰ স্থাপনৰ ফলত বিদ্যুৎ যোগান ব্যৱস্থাটো শক্তিশালী হৈ উঠিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চহৰৰ মাজমজিয়াত প্ৰতিষ্ঠিত এই উপকেন্দ্ৰটোৰ ফলত ইয়াৰ গ্ৰাহক সকল যথেষ্ট উপকৃত হ'ব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰি ৰাষ্ট্ৰত এক পৰিষ্কাৰ বাতাবৰণ নিৰ্মাণৰ যাত্ৰাত অগ্ৰসৰ হৈছে। কোটি কোটি শৌচালয় নিৰ্মাণৰ লগতে মানুহৰ মনত পৰিষ্কাৰ হৈ থকাৰ অনুভূতিৰো সৃষ্টি হৈছে বুলি উল্লেখ কৰি

মুখ্যমন্ত্ৰীয়ে কয় যে পৃথিৱীৰ মানৱ সমাজৰো ভাৰতবৰ্ষক এখন আদৰ্শ ৰাষ্ট্ৰ হিচাপে গ্ৰহণ কৰাৰ মানসিকতাৰ সৃষ্টি হৈছে। ডিব্ৰুগড় চহৰখনক অকল পোহৰাই তুলিলেই নহয়, পোহৰত চহৰখন যাতে পৰিষ্কাৰ ৰূপত থাকে সেই দিশত মনোনিবেশ কৰিব লাগিব। তেওঁ কয় যে পূৰ্বৰ চৰকাৰৰ দিনত ৬৬ হাজাৰ বাঁহ অথবা কাঠৰ খুটাৰে বিদ্যুৎ যোগান ধৰা হৈছিল। পূৰ্বৰ চৰকাৰৰ এইয়া এক দুৰ্ভাগ্যজনক আৰু অবৈজ্ঞানিক পদক্ষেপ আছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে ইতিমধ্যে ৪৮ হাজাৰ পকা খুটাৰ ব্যৱস্থা কৰি নিৰাপদ বিদ্যুৎ যোগানৰ পদক্ষেপ লৈছে। জনসাধাৰণৰ সহযোগত সকলো সম্ভৱ বুলি উল্লেখ কৰি জনসাধাৰণেও সামাজিক দায়িত্ব গ্ৰহণ কৰিব লাগিব বুলি তেওঁ কয়। ডিব্ৰুগড় চহৰৰ উদ্যোগিক খণ্ডৰ সুবিধাৰ্থে উন্নত মানৰ বিদ্যুৎ যোগানৰ পদ্ধতি এটাৰ উন্নয়ন সাধন কৰাৰ বাবে পদক্ষেপ ল'ব আৰু গুৱাহাটীৰ পিছত ডিব্ৰুগড়ত আণ্ডাৰ গ্ৰাউণ্ড কেবলৰ জৰিয়তে অত্যাধুনিক ৰূপত বিদ্যুৎ যোগান ধৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই সভাত ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে কয় যে গেছ ইনছুলেটেড উপকেন্দ্ৰৰ শুভ উদ্বোধনে চহৰখনৰ বিদ্যুৎ যোগান ব্যৱস্থাটো শক্তিশালী কৰি তুলিব। তেওঁ লগতে কয় যে ইতিমধ্যে ৩৩ হাজাৰ স্মাৰ্ট মিটাৰ সংযোগ কৰা হৈছে আৰু অতি সোনকালে ১০০ শতাংশ গৃহক সামৰি ল'ব।

আজিৰ এই অনুষ্ঠানত বিধায়কসকল ক্ৰমে ঋতুপৰ্ণ বৰুৱা, বিমল বৰা, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম শক্তি প্ৰৱহন নিগম লিমিটেড আৰু অসম শক্তি উৎপাদন নিগম লিমিটেডৰ অধ্যক্ষ ভি কে পিপাৰচেনিয়া, অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক ৰাকেশ আগৰৱালা, শক্তি আৰু গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ**

**১/১২/২০২০**